**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন

২। নীতিশ কুমাৰৰ পদত্যাগ। বিহাৰৰ নতুন মুখ্যমন্ত্ৰীৰূপে কাইলৈ সম্ৰাট চৌধুৰীৰ শপতগ্ৰহণ।

৩। ভাৰতীয় সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৬ সংখ্যক জয়ন্তী উপলক্ষে নেতাগৰাকীলৈ দেশবাসীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন। **আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞা ৰাইজে গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱান আগবঢ়াই প্ৰিয়জন তথা আত্মীয়স্বজনক বিহুৰ ওলগ জনোৱা হ'ব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত চৌদিশ মুখৰ হৈ উঠিছে।

পৰম্পৰাত বিশ্বাসী অসমীয়াই আজি পুৱাতে গোহালিৰ গৰুকেইটাক মাহ-হালধিৰে নোৱাই-ধোৱাই লাও-বেঙেনাৰ মালা পিন্ধাই, দীঘলতি, মাখিয়তিৰে কোবাই সন্ধিয়া গোধনক নপঘাৰে বান্ধি গোহালিৰ দুৱাৰমুখত বিভিন্ন বৌনজ উপাদানেৰে জাগ দি সেৰা যাঁছে।

শ্ৰীভূমি জিলাৰ বৰগুল গাঁৱত পুৱাই পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হয়। যোৰহাট, মাজুলী, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, নলবাৰী, বৰপেটা, বাক্সা আদি জিলাতো পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। মাজুলী জিলা সত্ৰসমূহত পৰম্পৰা ৰক্ষা কৰি আজিৰে পৰা বিহু পালন কৰা হৈছে। এই উপলক্ষে দক্ষিণপাট সত্ৰত মালা সেৰা পৰ্ব অনুষ্ঠিত হয়।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। এই অনুষ্ঠানত ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাই মুকলি বিহু উদযাপনৰ সৈতে সংগতি ৰাখি কাইলৈ বিশিষ্ট শিক্ষাবিদ তথা সমাজসেৱক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীক পাঠশালা বঁটা প্ৰদান কৰিব।

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহু উপলক্ষে ৰাজ্যজুৰি এতিয়া পাৰভঙা উছাহ। আদৰৰ ৰঙালী বিহুটি উদযাপন কৰিবলৈ অন্যান্য জনগোষ্ঠীয় লোকসকলেও পৰম্পৰাগত ৰীতি-নীতিৰে ব্যাপক প্ৰস্তুতি চলাইছে। আজিৰ গৰু বিহু পালনৰ পাছত কাইলৈ বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব। বাক্সা জিলাৰ গধূলী গাঁৱৰ কৃষক ৰাইজে কালদিয়া নদীলৈ আহি গৰু গা ধুৱাই পৰম্পৰাগত ৰীতি-নীতিৰে খাম, চিফুং, চেৰজাৰ তালে তালে বৈশাগু নৃত্য কৰে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত পৰম্পৰাগত ৰীতি-নীতিৰে আজি গৰু বিহু উদযাপন কৰা হয়। এই সন্দৰ্ভত বাক্সাৰ আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এনেদৰে কয়–

**ভইচকাষ্ট (দামোদৰ তালুকদাৰ)**

আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব।

শিৱসাগৰ নগৰৰ মুক্তিনাথ চাৰিআলিত ঐক্য নামৰ অন্যতম সামাজিক, সাংস্কৃতিক স্বেচ্ছাসেৱী অনুষ্ঠানৰ উদ্যোগত আজি অসম ভিত্তিত কণীযুঁজ প্ৰতিযোগিতা আৰু মুকলি বিহু উদযাপন কৰা হয়। এই অনুষ্ঠানত বিহুৱা-বিহুৱতীয়ে বিহুনাম পৰিৱেশন কৰি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে এই কণীযুঁজ প্ৰতিযোগিতা আৰু মুকলি বিহু উদযাপনে এইবেলি ৩১ বছৰত ভৰি দিছে। এই সন্দৰ্ভত অনুষ্ঠানটোৰ উদ্যোক্তা ড০ উৎপল দত্তই আমাক এইদৰে জনায়–

**বাইট (ড০ উৎপল দত্ত)**

ooooo

ভাৰতীয় জনতা পাৰ্টিৰ নেতা সম্ৰাট চৌধুৰী এন ডি এ শাসিত ৰাজ্য বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হ'ব। ৰাজ্যৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ পদত্যাগৰ পাছতে আজি এন ডি এৰ বিধায়ক সভাত সৰ্বসন্মতিৰূপে চৌধুৰীৰ নাম মনোনীত কৰা হয়। ইয়াৰ লগে লগে প্ৰথমবাৰৰ বাবে বিহাৰত বিজেপি দলৰ নেতা মুখ্যমন্ত্ৰী হোৱাটোও নিশ্চিত হয়। কাইলৈ নতুন মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যখনত নতুন মন্ত্ৰীসভাই শপত ল'ব।

উল্লেখযোগ্য যে ৰাজ্যসভাৰ সাংসদৰূপে ইতিমধ্যে শপত লোৱা নীতিশ কুমাৰে আজি ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ছৈয়দ আতা হাছনাইনৰ হাতত আনুষ্ঠানিকভাৱে পদত্যাগ পত্ৰ অৰ্পণ কৰে। বিগত দুটা দশকৰো অধিক সময় ধৰি বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা নীতিশ কুমাৰে যোৱা ১১ এপ্ৰিলত ৰাজ্যসভাৰ সাংসদ হিচাপে শপত গ্ৰহণ কৰিছিল। আজি তেওঁ পাটনাত অন্তিমখন কেবিনেট সভাত অংশ লয় আৰু মন্ত্ৰীসভা ভংগ হোৱাৰ কথা ব্যক্ত কৰে।

ইফালে মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থীৰ নাম বাছনি কৰিবলৈ বিজেপিয়ে পৰ্যবেক্ষকৰূপে নিযুক্তি দিয়া কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান আজি পাটনাত উপস্থিত হৈ বিধায়িনী দলৰ সভাত অংশ লয়। এই সভাতে চৌধুৰীৰ নাম নিৰ্ণয় কৰাৰ পাছত এন ডি এৰ সভাত আনুষ্ঠানিকতা সম্পন্ন কৰি ৰাজ্যপালক পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লয়।

উল্লেখযোগ্য যে ২৪৩ জনীয়া বিহাৰ বিধানসভাত ৩৬ জনীয়া মন্ত্ৰী সভা গঠন কৰাৰ সাংবিধানিক অনুমতি আছে।

০০০০০

ভাৰতীয় সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ আজি ১৩৬ সংখ্যক জয়ন্তী। স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ, আইনবিদ আৰু সমাজ সংস্কাৰক ড০ আম্বেদকাৰৰ ১৮৯১ চনৰ আজিৰ দিনটোতে মধ্য প্ৰদেশৰ এটা দলিত পৰিয়ালত জন্ম হৈছিল। তেওঁৰ জন্মদিনটো প্ৰতি বছৰে সমতা দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণক বহুমুখী ব্যক্তিত্বসম্পন্ন সমাজ সংস্কাৰকজনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলিত আৰু বঞ্চিতসকলৰ কাৰণে অহৰহ যুদ্ধৰত ন্যায়বীৰজনৰ আদৰ্শই ভাৰতবাসীক সদায়েই অনুপ্ৰাণিত কৰি যাব বুলি মন্তব্য কৰে। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদে আম্বেদকাৰৰ জয়ন্তী উপলক্ষে সংসদ ভৱনৰ প্ৰেৰণাস্থলত থকা ডং বি আৰ আম্বেদকাৰৰ সমাধিত শ্ৰদ্ধা নিবেদন কৰে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাইও মহান চিন্তাবিদ, সংবিধান প্ৰণেতা আৰু সমাজ সংস্কাৰক আম্বেদকাৰক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ড০ আম্বেদকাৰৰ দৰ্শনে এখন সমতাপূৰ্ণ ন্যায় সংগত আৰু শক্তিশালী ভাৰত গঢ়াৰ দিশে জনসাধাৰণক অনুপ্ৰাণিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠা হোৱা নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ কাৰ্যৰ প্ৰায় ৮২ শতাংশ কাম সম্পূৰ্ণ হৈছে। শোধনাগাৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি চলিত বছৰৰ ভিতৰতে এই কাম সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। পূৰ্বৰ ২২ হাজাৰ ৫১৪ কোটি টকাৰ পৰা শোধনাগাৰটোত ব্যয়ৰ পৰিমাণ ২৮ হাজাৰ ২৬ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত শোধনাগাৰটোৰ বাৰ্ষিক উৎপাদনৰ ক্ষমতা বৃদ্ধি পাব বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ তদন্ত আয়োগে হাফলং উপ-কাৰাগাৰত থকা দুগৰাকী অভিযুক্ত শ্যেখৰ জ্যোতি গোস্বামী আৰু অমৃত প্ৰভা মহন্তক কাৰাগাৰতে জেৰা কৰি জবানবন্দী লিপিবদ্ধ কৰাৰ ব্যৱস্থা কৰিছে। আয়োগৰ চান্দমাৰীস্থিত কাৰ্যালয়ৰ পৰা জাৰি কৰা জাননী অনুসৰি কালি এই প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ১৭ এপ্ৰিল পৰ্যন্ত চলিব। ন্যায়াধীশ শইকীয়াই ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে অভিযুক্ত দুগৰাকীৰ ভাষ্য গ্ৰহণ কৰিছে।

০০০০০

চুবুৰীয়া অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেইনক ব্ৰহ্মপুত্ৰ গৌৰৱ সন্মান প্ৰদান কৰা হৈছে। নতুন দিল্লীত আয়োজিত এখন ৰাষ্ট্ৰীয় সন্মিলনত তেওঁক এই সন্মান প্ৰদান কৰা হয়। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে এই সন্মান প্ৰদান কৰে।

০০০০০

চুবুৰীয়া অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেইনক ব্ৰহ্মপুত্ৰ গৌৰৱ সন্মান প্ৰদান কৰা হৈছে। নতুন দিল্লীত আয়োজিত এখন ৰাষ্ট্ৰীয় সন্মিলনত তেওঁক এই সন্মান প্ৰদান কৰা হয়। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে এই সন্মান প্ৰদান কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ